আন্তঃৰাষ্ট্ৰীয়

ম্যানমাৰত বিয়াৰ অনুষ্ঠানত সামৰিক বাহিনীৰ বিমান আক্ৰমণ, নিহতৰ সংখ্যা ১৭জনলৈ বৃদ্ধি পোৱাৰ আশংকা

ম্যানমাৰৰ এখন গাঁৱত বিয়াৰ প্ৰস্তুতি চলি থকাৰ মাজতে সামৰিক বাহিনীয়ে চলোৱা বিমান আক্ৰমণত কেইবাজনো লোক নিহত হৈছে।

প্ৰকাশ: ২৮ নৱেম্বৰ ২০২৬, নিশা ৭:৫০



Myanmar wedding air strike

নেপিড', ২৮ নৱেম্বৰ: ম্যানমাৰত এটি বিবাহ অনুষ্ঠানৰ প্ৰস্তুতি চলি থকাৰ সময়তে দেশখনৰ সামৰিক বাহিনীয়ে চলোৱা বিমান আক্ৰমণত কেইবাজনো লোক নিহত হৈছে। সংঘাতপীড়িত অঞ্চলটোত শনিবাৰে সংঘটিত এই ভয়ংকৰ আক্ৰমণত ইতিমধ্যে কমেও ছজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। এজন প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি এই ঘটনাত নিহত লোকৰ সংখ্যা ১৭জনলৈকে বৃদ্ধি পাব পাৰে। আক্ৰমণত আন কেইবাজনো লোক গুৰুতৰভাৱে আহত হৈছে।

ছান আৰু কেৰেনি ৰাজ্যৰ সীমান্তৱৰ্তী মোয়ে বাই অঞ্চলৰ এখন গাঁৱত এই বিমান আক্ৰমণ সংঘটিত হয়। এই অঞ্চলটোত পূৰ্বৰে পৰা বহুতো আভ্যন্তৰীণভাৱে স্থানচ্যুত লোকে আশ্ৰয় লৈ আছিল। এনে দুজন স্থানচ্যুত লোকৰ বিবাহৰ প্ৰস্তুতি চলি থকা এটা ঘৰতে বোমা বিস্ফোৰণ ঘটে।

এজন প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, প্ৰথমে অঞ্চলটোৰ ওপৰেৰে যুদ্ধবিমান উৰি যোৱাৰ শব্দ শুনা গৈছিল যদিও

তাত বোমা বর্ষণ হ’ব বুলি কোনেও ভবা নাছিল। কিন্তু কিছু সময়ৰ পিছতে প্রচণ্ড শব্দৰে বোমা বিস্ফোৰণ ঘটে। ঘটনাস্থলীত উপস্থিত হৈ তেওঁ ১৭টা মৃতদেহ পৰি থকা প্রত্যক্ষ কৰাৰ লগতে বহু লোক আহত হৈ থকা দেখা পোৱা বুলি দাবী কৰে। স্থানীয় লোকে প্রেৰণ কৰা ছবিত এগৰাকী মহিলা আৰু এটি শিশুকে ধৰি ছটা মৃতদেহ স্পষ্টভাৱে দেখা গৈছে। আহতসকলক ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হয়।

২০২১ চনত আং ছান ছ্যু কীৰ নেতৃত্বাধীন নির্বাচিত চৰকাৰখনক সামৰিক অভ্যুত্থানৰ জৰিয়তে ওফৰাই ক্ষমতা দখল কৰাৰ পিছৰে পৰা ম্যানমাৰত ভয়ংকৰ গৃহযুদ্ধ অব্যাহত আছে। সংঘাত নিৰীক্ষণকাৰী সংস্থা ‘একলেড’ৰ তথ্য অনুসৰি, এই সংঘাতত এতিয়ালৈকে সকলো পক্ষ মিলি এক লাখতকৈ অধিক লোকৰ মৃত্যু ঘটিছে।

মোয়ে বাই চহৰখন সামৰিক বাহিনীৰ নিয়ন্ত্রণত থাকিলেও ইয়াৰ কাষৰীয়া গাঁও আৰু গ্রামাঞ্চলসমূহত বিৰোধী সশস্ত্র শক্তিসমূহ সক্রিয় হৈ আছে। এই আক্রমণৰ সন্দর্ভত সামৰিক বাহিনীৰ কোনো মন্তব্য এতিয়ালৈকে পোৱা হোৱা নাই। ফলত আক্রমণৰ সমগ্র ঘটনা আৰু নিহতৰ প্রকৃত সংখ্যা এতিয়াও নিশ্চিত কৰিব পৰা হোৱা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7371/myanmar-wedding-airstrike-military-attack